# অময়া

শ্রীমহেশ চন্দ্র দের গোস্বামী।

— পাঠচক্র —
নগাঁও।

প্ৰকাশক :—
"পাঠচক্ৰ"
পোঃ বিহলঙনি,
নগাওঁ—অসম।

প্ৰথম প্ৰকাশ—
কাতি
৫০০ শ্ৰীশঙ্কৰাব্দ।

দ্বিতীয় প্ৰকাশ—
বহাগ
৫০৭ শ্ৰীশঙ্কৰাব্দ।
( মে' ১৯৫৬ )

বেচ— ১৲ টকা।

—নগাওঁ বিহলঙনি প্ৰেছত—
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত।



# একাষাৰ।

গান শুনিলে বোলে সাপো ভৰব হৈ ৰয়; মই গান ভাল নেপাওঁ বুলিলে কোনোবাই সাপতকৈও বিষাক্ত বুলি ক'ব। কিন্তু শুনি ভাল পোৱা আৰু গাই ভাল পোৱা— কথা দুটাৰ পাৰ্থক্য বহুত। সঙ্গীতৰ 'স'টোও যে নেজানো, সেইটো কৈ থোৱাত একো লাজ নাই।

ছিলঙত থাকোঁতে সুগায়ক শ্ৰীযুত ধীৰেন দাসৰ লগত পৰিচয় হয়— আৰু তেওঁ প্ৰায়েই গান গাই শুনায়। পিছত গৈ দাবী কৰে গান লিখি দিব লাগে। জেওৰা খৰি চেপিলে ৰস ওলাব পাৰে কিন্তু মোৰ গান নোলায়! তথাপি "মোৰ গোকুলত আজিনো হঠাতে বাজে কি বাঁহী মধুৰ সুৰে" বুলি গান এটা লিখি দিলোঁ। তেতিয়াৰ পৰা তেওঁ পিছ নেৰা হল।

আকৌ লাগিল কলিকতাৰ শ্ৰীমান দিলীপ শৰ্ম্মা। এই দুজনৰ তাড়নাত গান কিছুমান লিখি দিলোঁ।

ৰেডিঅ' কেন্দ্ৰ হ'ল— গান লগা হ'ল। কেবা ঠাইৰো পৰা দাবী আহিল— গান লাগে। বিশেষকৈ ওপৰোক্ত দুজন আৰু আমাৰ কলেজৰ ছাত্ৰী শ্ৰীমতী নীলিমা ভূঞা আৰু শ্ৰীমতী মায়া বৰুৱাই গান বিচাৰি মোক অতিষ্ঠ কৰি তুলিলে। লগতে মোৰ বাইদেউ শ্ৰীযুতা অৰুণা দেৱীয়ে গান নপঠোৱাত পতা ঠেহটোৱেও মোক আৰু কেটামান গান লিখিবলৈ বাধ্য কৰিলে।

এনেকৈ প্ৰায় বাধ্য বাধকতাত পৰিয়েই গান বুলি ছন্দ কিছুমান লিখিলোঁ। কেটামান গানৰ ৰেকৰ্ডো হল— ৰেডিঅ'তো কোনো কোনোৱে গাইছে।

গান খুজি পঠোৱা চিঠিৰ উত্তৰত বাৰে বাৰে গান নকল কৰা মোৰ সময় আৰু পৰিশ্ৰম খিনিৰ লাঘৱ কৰিবলৈ কিছুমান গান এই খনত ছপাই থলোঁ।

এই খিনিতে গান লিখিবলৈ আৰু প্ৰকাশ কৰিবলৈ সদায় উৎসাহ দি থকা সঙ্গীতজ্ঞ শ্ৰীযুত পুৰুষোত্তম দাস আৰু মিঃ উবৈদুৰ লতিফ বৰুৱাক ধন্যবাদ নজনাই নোৱাৰিলোঁ। ১ চেপ্তেম্বৰ, ৪৮।

## আৰু একাষাৰ।

প্ৰথম সংস্কৰণৰ কিতাপ শেষ হোৱাত দ্বিতীয় তাঙৰণ ছপোৱা হ'ল। নতুন গান মাত্ৰ কেটা-মানহে যোগ কৰা হ'ল। একুৰিমান গান ক'ত হেৰাল— তাৰ উহ পোৱা নগ'ল।

যি সকল শিল্পীয়ে গানবোৰ গাইছে— সেই সকলোলৈকে ধন্যবাদ জনোৱা হ'ল। শিল্পী সকলৰ আদৰ পালে আৰু নতুন গীত লিখিবৰ হাবিয়াস থাকিল।

শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী।
১ জুন, ১৯৫৬
নগাঁও, অসম।

# অময়া

—সূচী পত্ৰ—


| | | |
|---|---|---|
| ১। | দীন অন্তৰে ডাকোঁ কৃষ্ণৰ নাম | ১ |
| ২। | গগন পৱন মন শ্যামল সাজে | ২ |
| ৩। | আজি বাহিৰে বৰষে মূৰল ধাৰে | ২ |
| ৪। | মাধুৰী ভাঁহিছে বীণে বীণে | ৩ |
| ৫। | উঠা উঠা প্ৰিয়ে নিশা হল অৱসান | ৩ |
| ৬। | অকাল বসন্ত আজি জাগে | ৪ |
| ৭। | প্ৰিয়া মোক আজি দিয়া বিদায় | ৫ |
| ৮। | মাধৱী বনত আজি অভিসাৰ | ৬ |
| ৯। | দুৰ দূৰণিত তুমি মোৰ কোন | ৭ |
| ১০। | ফাগুণৰ পছোৱা বা | ৮ |
| ১১। | চঞ্চলতা, চঞ্চলতা | ৯ |
| ১২। | গুৰু গুৰু ডম্বৰু | ১০ |
| ১৩। | ৰঙা বগা সেউজীয়া পাত | ১১ |
| ১৪। | আজি বেদনাৰ কাৰাগাৰ | ১২ |
| ১৫। | আজি আহিলে আকউ | ১২ |
| ১৬। | আজি মোৰ কবিতা হেৰাল | ১৩ |
| ১৭। | নিশাৰ সপোন যমুনা আপোন | ১৪ |

১৮। টোপনি নাভাঙো প্ৰিয়া ১৬
১৯। হাঁহি নাচি আমি আহিছোঁ ১৭
২০। গাথিছোঁ হেঁপাহে এই মালাধাৰ ১৮
২১। মোৰ পৰাণৰ আকুল পিয়াহ ১৮
২২। অজান কুমাৰ মোৰ পদুলিত ১৯
২৩। তুমি যে মোৰ গভীৰ হিয়াৰ ২১
২৪। শাৰদীয় সমীৰণে তুলিছিলে ২২
২৫। নিভৃতে নিজানে সউ ২৩
২৬। মধুৰ সপোন স্মৃতিৰ বাঁধোন ২৪
২৭। কোন সুদূৰতে আছে মোৰ প্ৰিয়া ২৬
২৮। আজি প্ৰিয় পালোঁ ২৭
২৯। বুকু মোৰ সাধনাৰ ২৮
৩০। মোৰ হিয়াৰ নভত উদিছে তৰা ৩০
৩১। আজি স্মৃতিৰ বনত জালি দিয়া ৩১
৩২। ৰূপৰ জোৱাৰ উঠিছে নভত ৩২
৩৩। মোৰ অতীতক তুমি ৩৪
৩৪। কদম ছাঁয়াত প্ৰিয়ৰ কোলাত ৩৫
৩৫। মই বনৰীয়া ফুল এলাগী ৰনৰ ৩৬
৩৬। তুমি মোৰ সপোনৰ আকাশৰ ৩৭
৩৭। অকলে আপুনি নিৰলাতে ৩৯
৩৮। জগত সভাৰ সুৰৰ পূজাত ৪০





৩৯। মৰণ বীণাত আজি উঠে তান ৪১
৪০। লুইতৰ বুকু ফালি সোমালি ৪২
৪১। অ' বাই পিপিনী — ৪৩
৪২। অ' পখিলি কিহৰ লাহত ৪৪
৪৩। হেৰ বাটকৰা চায়ে যা ৪৫
৪৪। কপিলীৰ বুকুতে নাচিলে লহৰী ৪৬
৪৫। আকাশৰ বুকুতে মেঘে গৰজিলে ৪৭
৪৬। পৰ্ব্বততে ফুলিলে সোণাৰুৰে ৪৮
৪৭। কোনে কই গল কাণে কাণে ৪৯
৪৮। কোনে মোক কৰে বিয়াকুল ৫০
৪৯। উৰে ফুলৰ বেণু ৫১
৫০। গাভৰু শেৱালি সাজোঁতে ৫২
৫১। উৰি যায় পুৱাতেই ৫৩
৫২। পুৰুৱী সমীৰে তোলে ঢউ ৫৪
৫৩। বুকু ভাঙি ভাঙি গাওঁ গান ৫৫
৫৪। মম মন্দিৰে আজি ৫৬
৫৫। আজি শৰতৰ দুৱাৰ মুকলি কৰি ৫৬
৫৬। শাৰদী উষাৰ বোলে ৫৭
৫৭। সপোন সুৰভি দেশতে ৫৮
৫৮। তুমিতো নাজানা হাঁয় ৫৯
৫৯। জনতা জনতা ৬০

৬০। অ’ অসমৰ নবীন সেনানী ৬১
৬১। তোমাৰ হুচকু অথাই সাগৰ ৬২
৬২। মেঘে মহাড়ম্বৰে ঢালে ৬৩
৬৩। জীৱন কাণ্ডাৰী ৬৪
৬৪। থউকি বাথউ লুইতৰে ঢৌ ৬৪
৬৫। জৰ জৰ জৰ টোপাল ৬৫
৬৬। বলিয়া কৰিলি চিত অ’ ৬৬

# অময়া

১

দীন অন্তৰে ডাকোঁ কৃষ্ণৰ নাম
অঙ্গে ৰত্তন ৰাজি শোভে তনু ঘনশ্যাম ।
আহাঁ বনমালী ধেনুধনচাৰী
আহাঁ পীতবাস মোহন মুৰাৰি ।
সুৰ জন দুৰ্ল’ভ বন্দো ভকতে গাই হৰি নাম ॥
মাগোঁহো অৰবিন্দ চৰণৰ তলে,
ভকতি সুধাৰস পিওঁ শতদলে,
ভৱ-ভয়-ভঞ্জনকাৰী
হোৱা হৃদিস্থিত কল্মষহাৰী ।
অন্তৰ পৰশনে শুদ্ধ হোৱক ভজোঁ হৰি ৰাম ।

২

গগন পৱন মন শ্যামল সাজে
শাৰদ নিশা ভাৱে গৰ্জন গাজে ।
চাৰু বিজুলী পাত যমুনা তীৰে
দেখি পীতকায় কৈছে কাকে
"প্ৰিয় ঘনশ্যাম শঙ্খ বজায়ে
দুৰত ৰঙ্গে অঙ্গ বাজে ।"

৩

আজি বাহিৰে বৰষে মুষল ধাৰে
শত জনমৰে ব্যথিত হিয়াৰে
গোপন বেদনা অজানে উজাৰে,
মোৰ সুপিত অন্তৰ দুৱাৰে—
গৰজে বৰষা আজি মুষল ধাৰে ॥



৪

মাধুৰী ভাঁহিছে বীণে বীণে সুৰে সুৰে,
বাউলা হিয়াই ভাৱেনো ভাৱতে বুৰে ।
মুকুল মোদিত মোৰ যৌৱন-বনে
লাহৰী পখিলী আঁৰে আঁৰে উৰি ফুৰে ॥
বুকুৰ বোলেৰে সচকিত ছুনয়নে
নিছিগা সোঁতৰ চাৱনিয়ে হিয়া জুৰে ।
মুকুল উপচি মাধুৰী বাগৰে ধীৰে,
হিয়াক হিয়াই চুমাৰে ছুনাই পুৰে ।

৫

উঠা উঠা প্ৰিয়ে নিশা হল অৱসান,
নবীন অৰুণে ৰাজিছে ধৰণী
বলিছে বাৱিষা মলয়া ফাগুণী
এৰি দিয়া আৰু বাহুৰ শাসন ॥
সপোনত ৰচা মিলনৰ গান
দিঠকত গায় প্ৰকৃতিয়ে আজি
মুঞ্জৰি উঠে অগণিত প্ৰাণ
আহাঁ প্ৰিয়ে শুনো দুয়ো পাতি কাণ ॥

ছন্দে ছন্দে ভাব আগ বাঢ়ি যাওঁ
হাতে হাতে ধৰি সোহাগ জনাওঁ
ঢালি নৱলাসে প্ৰণয়ৰ বাগ
শীতলাওঁ আহা উতলা পৰাণ ॥
খুলি দিয়া প্ৰিয়ে হিয়াৰ দুৱাৰ
মধু মিলনৰ উঠক জোৱাৰ
পুষ্পিত হক এই অভিসাৰ—
জীৱনৰ গাওঁ নৱ জয় গান ।

৬

অকাল বসন্ত আজি জাগে
অশোক পলাশ মন্দাৰে হাঁহে
খল খল খল
গগন বিয়াপে—
আজি জাগে ।
আজি উদে নৱ যৌৱন ৰবি
মুখৰিত কৰে আম্ৰ বননি
ভ্ৰমে মধুকৰ
মধু অভিলাষে
আজি জাগে ।



ৰৰষাৰ ঢল মেঘত লুকালে
তপ্ত তপনো পশ্চিমত বুৰে
পিনাকীৰো ধ্যান
আজি প্ৰিয়ে ভাগে—
আজি জাগে ॥
বিৰহৰ আজি চিৰ অৱসান
ৰচোঁ আঁহা প্ৰিয়ে মিলন কানন
প্ৰাণে প্ৰাণে মিলোঁ
চুম্বন ৰাগে—
আজি জাগে ।

৭

প্ৰিয়া মোক আজি দিয়া বিদায়
উথলি উঠিছে দলিত পৰাণ
অজান পৰশ পাই—
আজি দিয়া বিদায় ।
হুৰাছ তোমাৰ মিলিছে কোনীত
প্ৰণয়ৰ ঢৌৱে ধৰণী কঁপাই
মিলনৰ গান গায়—
অজান পৰশ পাই ।

তোমাৰ বুকুৰ স্পন্দন মিলি
স্পন্দিত সউ যত নৰনাৰী
বিচাৰিছে মোকে হাঁয়
অজান পৰশ পাই ॥
শয্যা আমাৰ শ্যামল ধৰণী
নীলিম আকাশ মিলনৰ ঘৰ
আছে সউ বাটে চাই—
অজান পৰশ পাই ॥
আকুল আবেগে মোক পৃথিৱীয়ে
তোমাৰেই দৰে আপোন অজানে
দিছে হিয়া উদঙাই
অজান পৰশ পাই ॥

৮

মাধৱী বনত আজি অভিসাৰ
মুকলি বিশ্বৰ কুঁৱলী কাটিছে
ভাহি যায় প্ৰেম পাৰাবাৰ ॥
বুকুত নামিছে ক'ৰ সুধাধাৰ
বিলাওঁ তোমাতে ছালি জাৰি হিয়া
শেষ কৰোঁ নিখিল ক্ষুধাৰ ॥



আহাঁ প্ৰিয় মোৰ আৰ্ত্ত তৃষাৰ
জগত বুৰাওঁ প্ৰেমৰ ঢলেৰে
বুকুত উদয় নৱ সৱিতাৰ ।
বই যক নদী এই মদিৰাৰ
উঠক নিনাদি গগনে পৱনে
মিলনৰ এই মধু ঝঙ্কাৰ ।

৯

দূৰ দূৰণিত তুমি মোৰ কোন
গীতৰ লহৰে হিয়া ভাঙি যায়
মুখত উজলে শাৰদী জোন—
তুমি মোৰ কোন ।
তোমাৰ বুকুৰ মৃদুল কঁপনি
বাজি যায় মোৰ বীণৰ তাঁৰত
অধীৰ কৰেহি অজানে সোণ
তুমি মোৰ কোন ।
উঠা ভাঁহি হই অলকা কুঁৱৰী
ব্যথাৰ প্ৰতিমা আউলী বাউলী
সজল পচুমী নয়ন-কোণ—
তুমি মোৰ কোন ।

বিৰহৰ যুগ হল অৱসান
শীতৰে বুকুতে মাধৱী নামিছে
পূৰ্ণ কৰিব হিয়াৰ কোণ—
তুমি মোৰ কোন ।

১০

ফাগুনৰ পছোৱা বা
বয়ে যা বয়ে যা
ভাঙি যা শীতৰে জড়তা –
ফাগুনৰ পছোৱা বা ।
তন্দ্ৰা ভাঙি যা
মোৰ কাননৰে—
পুৰাৰে সঙ্গীত গা—
চেতনা আনি থৈ যা—
তুলি যা মুক্তিৰ
বিজয় পতাকা
গছে গছে প্ৰাণে আঁকি দি যা
সপোন দেশৰ বাৰতা
ফাগুনৰ পছোৱা বা ॥



১১

চঞ্চলতা, চঞ্চলতা
ভেদি গভীৰতা
শুনাব আজি কি অজান বাৰতা
চঞ্চলতা ।
পখিলাৰ পাখী—
গোলাপৰ পাহী
জোনৰে মু'খনি চা—
সানিলি তাতো যে মাদকতা,
চঞ্চলতা, চঞ্চলতা,
শুনাব আজি কি অজান বাৰতা ॥
লুইতৰ লহৰী
বগলিৰ উৰণি
কুলি কেতেকীৰ ৰা'
লগালি তাতো যে কিহৰে বা,
চঞ্চলতা, চঞ্চলতা,
শুনাব আজি কি অজান বাৰতা !

১২

গুৰু গুৰু ডম্বৰু
বাজে গিৰি কোলে
ৰুদ্ৰ নাচে তালে তালে
ত্ৰিশূল হাতে
অৰ্দ্ধচন্দ্ৰ জ্বলে ভালে
যোগেশ্বৰে নাচে তালে তালে ॥
প্ৰলয় নাচত নাচে দিগম্বৰে
কাম ভষ্ম ভালে ভালে
ৰতি কান্দে
পৰাণ ভিক্ষা মাগে
ৰুদ্ৰ কিন্তু নাচে তালে তালে ।
নৃত্য কৰে মহেশ্বৰে
অগ্নি বৃষ্টি ঢালে
কঁপি উঠে গিৰি হিমাচলে
জগত হালে জালে,
ৰুদ্ৰ কিন্তু নাচে তালে তালে ॥



১৩

ৰঙা ৰঙা সেউজীয়া পাত
চকৰি ঘূৰিলে তাত ঐ মইনা
চকৰি ঘূৰিলে তাত ॥
লাহীকই হাতেৰে লাহেকই ধৰিবা
সপোনৰ সঁফুৰা পাত,
বুকুৰ তেজে টুপি দিলা টুকি টুকি
তেজেৰে বান্ধিলা বাট ॥
নঙঠা ঐ ফকিৰে চকৰি ঘূৰালে
ৰচিলে মায়াৰে জাল,
নবল ডেকা বুঢ়া বোৱাৰী জীয়াৰী
বালে মৰণৰে হাল ॥
তোমাৰ সাঁচনীয়া এই পাতেখিলা
নসৰি নেৰেজি ব'ল ।
আজি তুলি ধৰি যোৱা আগে বাঢ়ি
আঁউহী আঁতৰি গ'ল ॥
কচুপাতৰ পানী দেহা লটি ঘটি—
মাটিতে মিলিয়ে যায়—
জীৱনৰ চকৰি ঘূৰি থাকে যানে
পাতৰো মৰণ নাই ॥

১৪

আজি বেদনাৰ কাৰাগাৰ ভাঙ্গি নিলে
বিৰহৰ ঢউ সাগৰত ডুবিলে
ৰুণু ঝুণু ঝুণু-বসন্ত নাচিলে
পুলকতে মোৰ টোপনি ভাঙিলে ॥

সউ সুৰুযবে জেউতি চৰিলে
সমীৰে পহুম আপুনি চুমিলে
থউকি বাথউ নাচে তালে তালে
শিৰে শিৰে মোৰ বসন্ত জাগিলে ॥

সউ ফুলনিৰে যুতি লতা জোপে
উলাহতে মোক আঁকোৱালি ধৰে
লাজ অভিমান আঁতৰি পৰিলে
ফুলে ফুলে মিলি মদিৰা ঢালিলে ॥

১৫

আজি আহিলে আকউ শাৰদী ৰাতি
শুনাব তোমাৰে গোপন আৰতি,
সুদূৰ হিয়াৰে মিলন পাতি—
— উতলা মনৰ যমুনা দাঁতি ॥



শেৱালি সুৰভি ৰাখিছোঁ যতনে
হিয়াৰে দুবৰি দলিছা পাতি
আকুল সমীৰে মাৰিছে ছাটি—
শীতল বুকুৰে মাধুৰী বাকি ॥

জোনেনো শেৱালিক জনায় ধীৰে,
'তোমাৰ বুকুতে মোৰে যে জ্যোতি'
শেৱালিয়ে হালি জনায় নতি
মিলন-মুখৰ জোনালী ৰাতি ॥

চৰায় জেউতি শেৱালি পাহিতে
নিয়ৰে গোপনে মুকুতা আঁকি
নিখিল ভুবনে আমাকে মাতি
দিছেহি মিলন-অমিয়া বাকি ॥

১৬

আজি মোৰ কবিতা হেৰাল
সাগৰ তলিত মুকুতা হেৰাল
জোনৰ বুকুত কালিমা লুকালে
হিয়া ভাঙ্গি মোৰ বেদনা ওলাল,
আজি মোৰ কবিতা হেৰাল ॥

কবিতাৰ ভাষা কেওঁ বুজিলে
ছবিৰ ৰেখাত প্ৰাণ নুফুটিল
শত মেঘদূত দূৰতে পলাল—
বুকুৰ বেদনা বুকুতে লুকাল ॥
দূৰ বননিৰ আঁজলী মুকুলে
অলিটিৰ ভাষা আপুনি বুজিলে
পাহে পাহে তাৰ সুৰভি ওলাল,
— মোৰ হৃদয়ৰ মাধুৰী শুকাল ॥
এটি কথা মোৰ তাকো নুবুজিলে
বুকুতে বাগৰি গগণ ফালিলে,
আকাশৰ যে চকুলো ওলাল
মোৰ গগণৰ ভৰাটি নোলাল ॥

১৭

নিশাৰ সপোন যমুনা আপোন
মোত হাঁহি তোলে যেনেকই—
ব'য়ে যা দিঠকলই
মাথোঁ বয়ে যা মাধুৰী লই ॥



ভৰা হৃদয়ৰ নুফুলি কমল
গোপনে বুকুতে কৰে সুবিমল
জোনৰে চুমাতে——শাৰদ নিশাতে
কৰিছে অধীৰ যেনেকই
ব'য়ে যা দিঠকলই
মাথোঁ ব'য়ে যা মাধুৰী লই ।

সপোনৰে যত ফাগুন ফুলনি—
হিয়াতে ফুলে,
কত পখিলাই স্নেহ চুমা যাচে
হৃদয় দোলে,
ফুল পৰাগতে হিয়া গাঁথি যায়
ব্যথাৰে কুমাৰে——স্নেহ চুমা পায়
যদিও সপোন তেওঁতো আপোন
হাঁহি খেলি চুমা যাচি থই—
ব'য়ে যা দিঠকলই—
মাথোঁ বয়ে যা মাধুৰী লই ॥ *

* [ ৰেকৰ্ড হৈছে ]

১৮

টৌপনি নাভাঙো প্ৰিয়া
এবাৰ মু'খনি চাবলে' দিয়া—
লালকাল তব দেহলতিকাৰ
মাধুৰী পিবলে' দিয়া—
টৌপনি নাভাঙো প্ৰিয়া ॥

জোনাক যামিনী আজি যে কামিনী
পুলক জগায় প্ৰিয়া
নিদ্ৰা মগন বক্ষ দোলন
উশাহে নিশাহে—তৰুণ তোমাৰ হিয়া—
মাধুৰী পিবলে' দিয়া ॥

ৰঙীন আবেশ মুকলি সুকেশ
নিতাল নিঝুম ৰাতিটি প্ৰিয়া,
গোলাপী গালৰ সৰগ মাধুৰী
মৰুভূ হিয়াত—কঁপনি তুলি যে দিয়া,
মাধুৰী পিবলে' দিয়া ॥



সপোন—তোমাৰ ৰূপহ চৰায়
মিচিকি হাঁহিয়ে—জেউতি ঢালি দি যায়,
বলিয়া আজি যে হিয়া—
মাধুৰী পিবলে' দিয়া—
টৌপনি নাভাঙো প্ৰিয়া ॥

১৯

হাঁহি নাচি আমি আহিছোঁ—আমি আহিছোঁ
কৰিম তোমাক সকলো দান,
হিয়াৰো হিয়াৰ যত মধু আশা
গোপন বুকুৰ সুবাসনা ভাষা
তোমাতেই আজি হক অৱসান ।

জোনৰ বুকুতে পাপিয়াৰ তান
অধৰত লই তৃষিত পৰাণ
চাপিছোঁ ওচৰ চৰণে তোমাৰ
ৰূপে ৰঙে ৰসে ষোড়শোপচাৰ
হিয়া ভৰি আজি প্ৰিয় কৰা পান ॥

থৰ হঁক জোন, থৰ হক নিশা
দূৰ হক যত বিষাদৰ বান,
শেষ হক ভাতে জগতৰ লীলা
উৰি যায় যক—জীৱন-পখিলা
প্ৰাণে প্ৰাণ প্ৰিয় কৰক পান ॥

২০

গাথিছোঁ হেপাহে এই মালাধাৰ
প্ৰেমৰ ডোলেৰে ফুল পাপৰিৰে
গোপনে হিয়াৰো বাকি সুধাধাৰ ॥
পাহে পাহে আছে অৰুণৰ হাঁহি
প্ৰাণে তাতে দিছে আকুল পীৰিতি,
তোমাৰ কাৰণে আনিছোঁ যতনে
দৰদী হিয়াৰ এই উপচাৰ ॥

২১

মোৰ পৰাণৰ আকুল পিয়াহ
গুচা নাই, গুচা নাই,
অকণি হিয়াত অসীম প্ৰেমৰ
তৃষা মাথোঁ বাঢ়ি যায় ॥



যুগল হিয়াত অজানা বিৰহ
অভাৱৰো সীমা নাই,
ভাল পাওঁ মানে তৃষ্ণা নপলায়
আকুলতা বাঢ়ি যায় ॥
হিয়াই হিয়াই পান কৰোঁ সুধা
প্ৰাণে প্ৰাণে মিলি যায়,
আৱেগৰ ঢউ বাঢ়ে ক্ষণে ক্ষণে
পাৰ ভাব কেনি হেৰায় ॥

২২

অজান কুমাৰ মোৰ পদুলিত
থমকি নিতউ
যোৱা কিনো চাই ?
দেখোঁ যে তোমাৰ থিৰ দুনয়ন
পুৰ্ণতী তৃৱাৰ
মেলোঁতে সদায় ॥

ওঁঠত তোমাৰ কঁপি উঠা ভাষা
চকুটি পৰিলে
ওঁঠতে হেৰায়;
পলকতে ঘুৰি কেনিনো পলোৱা
অবুজ সুৰেৰে
যোৱা কিনো গাই ।
নিতে দেখি দেখি নৱীন ৰূপত
অজানা আশাত
ৰঙ বাটে চাই,
সপোনতো মোৰ দিয়াহি নিজেই
জঁাই-যূতি-জবা
কোঁচত ভৰাই ।
আহাৰ ডাৱৰে আকাশ বুৰালে
ছালি ধৰি নাচে
ময়ূৰ চৰাই,
তৃষিত হিয়াই মেলি দি দুৱাৰ
নেদেখি তোমাক
নিৰলে বিনায় ।



২৩

তুমি যে মোৰ গভীৰ হিয়াৰ
মৃণাল মূলত
দিলাহি কঁপাই,
সৰসীৰে সমীৰতে
তুলি কিনো লহৰী
কোলাতেনো চুমিলা জোনাই
হিয়া মোৰ দিলাহি কঁপাই ॥
দুবৰিৰে মুকুতাতে
শৰতৰে শেৱালি
দিলা ছটিয়াই,
মোৰ হিয়া কমলকে
উষাৰেনো জ্যোতি আনি
দিলাহি ফুলাই,
নাচে তাতে পৰাণ ভোমোৰাই,
হিয়া মোৰ দিলাহি কঁপাই ।

২৪

শাৰদীয় সমীৰণে
তুলিছিলে সেইদিনা
পুলক জোৱাৰ
মৃদুগন্ধ শেৱালীৰে
সুৰভি বিহাৰ।
খুলি মোৰ হিয়াৰ দুৱাৰ।

ফুলে ডালে কদমৰে
বাঁহীটিয়ে মাতি পাতে
সুৰৰ পোহাৰ,
বলুকাত যমুনাৰ
উঠিল জোৱাৰ,
গোপিকাৰ বুকুৰ সুধাৰ।

আকাশৰ জোনটিয়ে
পুখুৰীৰে কথা পাতে
অবুজ ভাষাৰ,
ভেঁট ফুলে তোলে মূৰ
সঁহাৰি পোৱাৰ
ঢালি দিয়ে অমিয়া পূজাৰ॥



জহি যোৱা কুসুমৰে
স্মৃতি যাচোঁ আজি ধীৰে
হাতত তোমাৰ,
প্ৰিয় কবি কবিতাৰ
মালিকা ইধাৰ,
কৰি দিয়া পৰাণ উজাৰ॥

২৫

নিভৃতে নিজানে সউ দুনয়নে
কাক আছে বাটে চাই,
তনু পুলকিত অধৰ কম্পিত
মন্দ গমনে যায়—
কাক আছে বাটে চাই।

অথিৰ অবিৰ হৃদি জলধিৰ
কাক মাজত বুৰাই,
থউকি বাথউ প্ৰণয়ৰে ঢউ
তোলে আকুল হিয়াই,
কাক আছে বাটে চাই॥

ক্ষণে পুলকিত ক্ষণে বিগলিত
ক্ষণে হুমুনিয়া হায়,
কেশৰ মালতী বুকুত সাবতি
সজল নয়নে চায়—
কাক আছে বাটে চাই।
সোলকে ভূষণ নচলে চৰণ
চকুৰো জেউতি যায়,
এৰি কৃশ কায় ধূলিত লুটাই
কৰুণ বিননি গায়—
কাক আছে বাটে চাই।

২৬

মধুৰ সপোন স্মৃতিৰ বাঁধোন
পুৱাতে সুলকি পৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে।



কিশোৰ অৰুণ কিৰণ-ৰাজি,
পৰশি মম মৰ্মৰে আজি,
দহিছে পৰাণ বাড়ৱ সমান
তপ্ত চকুলো জৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে।
শোনিত বৰণে নিখিল ভুৱনে
প্ৰকাশি বেদনা মোৰে,
স্তব্ধ ৰোদন ক্ষুব্ধ নয়ন
চৰণ অচল কৰে।
বিফল নিঠুৰ পুৰবী তানে
নবীন হৃদয় কমল হানে।
মানস গগন গৰজে সঘন
দাৰুণ বেদনা ভৰে,
হৃদয় গোপনে মলয় পৱনে
ব্যথাৰে আকুল কৰে।

২৭

কোন সুদূৰত আছে মোৰ প্ৰিয়া
আছে মোৰ প্ৰিয়া— ।
দূৰণি বটীয়া—
আকুল কৰিলে হিয়া—
সুদূৰত আছে প্ৰিয়া ॥
উঠে সউ পশ্চিমত ডাৱৰ কলিয়া
অকাৰণ বিয়াকুল কৰে মোৰ হিয়া,
অকল শৰীয়া—
সঙ্গ মোৰ বিৰহৰ মাথোঁ হুমুনিয়া ।—
সুদূৰত আছে প্ৰিয়া ॥
অকল শৰীয়া
দূৰণি বটীয়া ।
নাৱো টুলুঙা উকঙা মন-নাৱৰীয়া
ডাঁৰ নাই আছে সউ ডকা চাকেনৈয়া—
সুদূৰত আছে প্ৰিয়া ॥



এই যে সন্ধিয়া—
মন ডাৱৰীয়া—
সমুখত এন্ধাৰৰ গৰা খহনীয়া
বিষাদৰ বননিত মই চৰণীয়া
সুদূৰত আছে প্ৰিয়া ।
এই যে সন্ধিয়া—উৰণীয়া— হিয়া ॥

২৮

আজি প্ৰিয় পালোঁ তোমাৰ প্ৰথম লিপিকা,
অতি সুগোপনে লিখা—
আখৰে আখৰে জ্বলে প্ৰণয়ৰ শিখা
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ।

আজি মেঘৰ বুকুত জ্বলা বিজুলীৰ ৰেখা
সেউজীয়া ধৰণীত হিমকণা গঁথা,
সকলোতে উঠে ভাহি তোমাৰেই লেখা—
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

জোছনাৰ যামিনীত
শৰতৰ ফুলনিত
সমীৰে জনায় যত অকপট কথা
তাতো প্ৰিয় উঠে ফুটি তোমাৰেহে ভাষা,
পাই মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

তোমাৰ বুকুত জ্বলে যিটি দীপশিখা
সিয়ে মোৰ পৰাণৰ কোমল সবিতা
কিৰণ মাধুৰী আনি উতলাই হিয়া,
ই যে মোৰ জীৱনৰ ফাগুনৰ
প্ৰথম মালিকা ॥

২৯

কুঞ্জ মোৰ সাধনাৰ—
দান বিধতাৰ—
ৰচনা নিপুণ অলি গুণ গুণ স্বৰ—
বয় বসন্তৰ জুৰি দৰদৰ ॥



কোকিলৰ সুধাসুৰে—
হিয়াখনি পূৰে,
চিত্ত আকুল প্ৰাণ বিয়াকুল শৰ—
—কঁপে অন্তৰৰ ফুল থৰথৰ
বয় বসন্তৰ জুৰি দৰদৰ ॥

বিজুলী চমৎকাৰে
মোৰ কাননৰে
ভাঙি ডালডুল নাশি যত ফুল কৰ—
বয় বিৰহৰ চল শাওনৰ —
নাই বসন্তৰ জুৰি দৰদৰ ॥

শূন্য কানন মোৰ—
উদাস আতুৰ—
তিমিৰ গগণ শূণ্য পৰাণ জড়
নাই বিধুৰাৰ অৰ্থ জীৱনৰ,
নাই বসন্তৰ জুৰি দৰদৰ ॥

৩০

**মোৰ** হিয়াৰ নভত উদিছে তৰা
জিকিমিকি তাৰ জেউতি ভৰা
সাত সৰগৰ ৰূপৰ লহৰ
আনি দি হঠাৎ আকুল কৰা ;—
চকুত কিহৰ পুলক ভৰা ॥

মোৰ চকুত নতুন আবেশ-ক্ষৰা
ধৰণীত তাৰে ৰহণ চৰা,
পদুম বনৰ মুকুতা জলৰ
ৰূপত উতলা নয়ন হৰা,
ব্যথাৰ বাৰিধি সুদূৰ কৰা ॥

মোৰ ব্যথাৰে গোলাপ বাঙলী পৰা
তাৰো পৰাগত মদিৰা ভৰা,
হাছনা হানাৰ মৃদুল পৰশে
সজায় এখনি বাউলী ধৰা
হাঁহিত জগত মুখৰ কৰা ॥



মোৰ হাঁহিত চকুৰ লোতক জৰা
বীণত সুৰৰ মাধুৰী ক্ষৰা
কোন গহনৰ অচিন জনৰ
মিলন মোহত অধীৰ কৰা,
উদিছে হিয়াত একেটি তৰা ॥

৩১

**আজি** স্মৃতিৰ বনত জ্বালি দিয়া জুই
কৰক সকলো ছাঁই.
অতীত মৰিল সপোন ভাগিল
মায়াৰ কুঁৱলী নাই—
হওক সকলো ছাঁই ॥

আজি পুৰি দিয়া যত আকাশ কুসুম
সুফুলা পদুম
হওক মাটিতে লয়—
সপোন দেউল কৰি দিয়া গুৰি
হব কি থাকিলে চাই—
হওক সকলো ছাঁই ॥

আহক ধুমুহা আহক বৰষা
কঁপক ধৰণী বজ্ৰ খাই,
অস্থি ভয় সেই অতীতৰ—
দিয়া উৰুৱাই—দিয়া উটুৱাই
হব কি থাকিলে চাই—
হওক সকলো ছাঁই ॥
আজি দ্যুলোকে ভূলোকে উঠক নিনাদি
"ব্যথাৰ স্থিৰিতি নাই"—
সমুখত মাথোঁ নগ্ন দিঠক
সুদূৰ বিশাল ঠাই—
অতীত ক'তোৱে নাই—
হওক সকলো ছাঁই ॥

৩২

ৰূপৰ জোৱাৰ উঠিছে নভত
মনত অন্ধকাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ।



যুগল পখীৰ নিবিড় আবাস
হাছনা হানাৰ উতলা সুবাস,
পদুম বুকুত জোনৰ পোহৰে
হাসিছে বাৰম্বাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ?
বলিছে শাৰদী শীতল সমীৰ—
তৰু-তৃণ-লতা কৰিছে অধীৰ—
ধৰাত নামিছে ৰূপৰ সাগৰ—
হেৰায় পাৰাপাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ,
কিহৰ অহংকাৰ ?
গুমৰে হিয়াত কত মধু আশা
বীণৰ তাঁৰত গুঠে ফুটি ভাষা!
বুকু ফাটি যায় কথাটি নোলায়
মোৰ যে ৰুদ্ধ দ্বাৰ,
হৃদয় কাৰাৰ নোখোলে দুৱাৰ
কিহৰ অহংকাৰ ?

৩৩

মোৰ অতীতক তুমি নকৰিবা অপমান,
সি যে মোৰ বৰ্ত্তমান ।
উশাহে নিশাহে প্ৰতি শিৰে শিৰে
বইছে শোণিত তাৰে
গাই অতীতৰে গান ॥

ব্যথাহত মোৰ বিয়াকুল প্ৰাণ
ই-যে স্মৃতিৰ শ্মশান,
তাৰেই পোহৰে পথ ৰচে মোৰে
জনায় লোতক ধাৰে
সুদূৰৰ আহ্বান ॥

অতীতত ৰচা মিলনৰ গান
আজি সাৰথি সমান,
ভাঙি গঢ়ি মোৰ জীৱন পদুম
উন্মনা কৰি বাৰে বাৰে
তুলিছে সুৰদি তান ।



মোৰ বুকু ভেদি ৰয় স্মৃতিৰ কৃপাণ
—এয়ে মোৰ অভিমান,
তিলে তিলে ঢালি শোনিত বুকুৰ
ৰচিম কাৰেং মোৰে—
ভাঙি দিঠক পাষাণ ।

৩৪

কদম ছাঁয়াত প্ৰিয়ৰ কোলাত
ৰূপহ তোমাৰ মু'খনি
মুকলি সুকেশ অলস সুবেশ
বুকুত মৃদুল কঁপনি—
ৰূপহ তোমাৰ মু'খনি ॥

জুজুৰি চকুত কথাটি গুপুত
অথিৰ যুগল চাৱনি
প্ৰিয়ৰ অধৰ চাপিছে ওচৰ
বুকুত জ্বলিছে অগনি ।
অথিৰ যুগল চাৱনি ॥

তপত উশাহে ফুলৰ সুবাসে
বিতৰে মধুৰ কাহিনী,
জোনাক যামিনী ক্লান্তি হাৰিণী
মোহত তাতেই বন্দিনী।
বিতৰে মধুৰ কাহিনী ॥

হাঁহিৰ লহৰে যমুনা বাগৰে
কৰিছে জোনকে কামিনী
আকাশ বলিয়া জৰিছে অমিয়া
ঢালিছে শীতল বাৰিণী
কৰিছে জোনকে কামিনী ।

৩৫

মই বনৰীয়া ফুল এলাগী বনৰ
আপোন আভাত আপুনি মুখৰ
অকলশৰীয়া একণি ফুলৰ
কোন মালাকৰ চাপিব ওচৰ ॥
মোৰো যে পাহিত সমীৰ লাগে
অকণি হিয়াত পুলক জাগে
কোন সুদূৰৰ আহে মধুকৰ
দিয়েহি পৰশ তপত বুকৰ ॥



মোৰ সুৰভি বাগৰি বনতে শুকায়
পথিলাই মোকো পাহৰি নাযায় ।
ৰূপৰ ভৰত হওঁ যে কাতৰ,
তৰুৰ ছাঁয়াই ধৰেহি চামৰ ॥

শাৰদী জোনৰ কিৰণ লাগি
অজান বাতৰি— উঠিছে জাগি ।
পাহে পাহে মোৰ তাৰেই লহৰ
মধুৰ খেণক কৰিছে অমৰ ॥

৩৬

তুমি মোৰ সপোনৰ আকাশৰ
ডাৱৰ ডৰা,
মই তাত চিকিমিকি বিজুলী
বাগৰি ফুৰা,—
তুমি মোৰ মযো যে তোমাৰ
আঁতৰে আঁতৰে দেখি নয়ন-হৰা ॥

তুমি মোৰ সুনীলিম গগণৰ
একোটি তৰা,
মই তাত পোহৰৰ লহৰী
নাচোন ভৰা,
আবেগৰ আৱত্তি সদায়
তোমাক গোপনে যাচোঁ হৃদয়-ক্ষৰা ॥

তুমি সুৰ বিয়াকুল বতাহত
উফৰি ফুৰা
মই তাত আবেশৰ মাধুৰী
চেতনা হৰা,
তুমি মোৰ পদুম পুজাৰ,
প্ৰথম প্ৰভাতে দিয়া কৰণি-ভৰা ॥

তুমি মোৰ হৃদয়ৰ সাগৰৰ
মুকুতা ডৰা,
মই তাত অকাতৰ জহুৰী
বুটলি ফুৰা,
জনমৰ যোড়শোপচাৰ—
তোমাৰ কাৰণে যাচোঁ সাদৰে ভৰা ॥





অকলে আপুনি নিৰলাতে
গাওঁ গীত বিৰহৰ উদাস সুৰে,
গাথোঁ সপোনৰ ফুলহাৰ
অলস হাততে সিও সুলকি পৰে ॥

উদাস নয়ন মোৰ লোতক জৰে,
অচিন জনৰ স্মৃতি মনত পৰে,
ডিঙি ভাঙি ভাঙি গাওঁ আকুল সুৰে,
অজান প্ৰিয়ৰ জানো কাণত পৰে ॥

চেতনা হেৰায় ৰাগিণীতে
সজাগ জগত মোৰ সুৰতে বুৰে,
সুৰৰ ভানতে ভাহি উঠা
প্ৰিয়ৰ ছবিয়ে মোক বিভোৰ কৰে ॥

দুহাতে সাবটি ধৰোঁ বুকুত ধীৰে
সুৰৰ আঁৰতে থাকি হৃদয় জুৰে,
অধৰে অধৰ মাগে প্ৰাণৰ ভৰে,
সুৰটি হেৰায়, ছবিও আঁতৰি পৰে ॥

### ৩৮

জগত সভাৰ সুৰৰ পুজাত
মৱো যে অচিন পুজাৰী,
প্ৰথম তানত কলং পাৰত
উঠিছে পৰাণ মুঞ্জৰি
মৱো যে অচিন পুজাৰী ॥

ৰূপালী বনৰ কঁহুৱা ফুলৰ
নাচিছে পৰাণ উজাৰি
চেৰত ভাবেই চৰণ চলায়
লাহতী গাঁৱৰ জীয়াৰী—
নাচিছে পৰাণ উজাৰি ॥

সোণালী ধানত বুকুত অজানে
লাগিছে সুৰৰ লহৰী,
থমকি দাৱনী শুণিছে ৰিণিকি
পেঁপাত প্ৰাণৰ সঁহাৰি,
উঠিছে সুৰৰ লহৰী ॥



পানীৰ ঘাটত কোমল শিশুৰ
উঠিছে খেলাৰ জাউৰি,
সুৰত ভাবেই ৰূপহী জীয়াৰী
ভৰায় কাষৰ গাগৰি,—
উঠিছে খেলাৰ জাউৰি ॥

### ৩৯

মৰণ বীণাত আজি উঠে তান,
গুৰি কৰি তোৰ যত অভিমান ।
জগত বুকুত তোৰ দুদিনৰ লীলা
হ'ল অৱসান,
আপোন হাতেৰে গঢ়া ভৱনতে তোৰ
নাই আজি স্থান ॥
বুটলি নিতউ ফুৰি জগতৰ যত
সোণ ৰূপ মান,
কত হাবাথুৰি খাই ফুৰিলি অকলে
শুনি যশ গান ।
এয়ে আজি তোৰ শেষ পৰিণাম,
মাটিৰ লগত তয়ো হলি যে সমান ॥

গগণ কঁপাই উঠে চাৰিদিশে তোৰ—
ব্যথা ভৰা তান,
স্নেহৰ জগতে তোৰ পালেনেকি এয়ে
শেষ সমিধান ।
চকুত বাগৰে অশ্ৰুৰ বান,
গ্ৰহণ অতীত তোৰে এই দান ॥

৪০

লুইতৰ বুকু ফালি সোমালি অ' জোনবাই
গহীন ৰূপৰ ৰাতি,
লাহতে নাচিলি ঢৌতে বাগৰি
কঁপালি পানীৰে দাঁতি ॥
লুইতৰে হিয়া নামি জুখি চালি
পীৰিতি বলিয়া ৰাতি,
উতলা বুকুতে নিজকে বিলালি
হিয়াতে লভিলি শাঁতি ।
ওপৰে উৰিলে পাগলী কেতেকী
'বউ তই কথা ক'— মাতি,
লাজতে টানিলি কলীয়া ওৰণি
লুইতো পেলালি ঢাকি ।



চকুৰে পানীৰে তিয়ালি ওৰণি
নোলালি আৰু ঐ ৰাতি,
পূবৰে অৰুণে লুইতক জগালে
ৰাঙলী হাঁহিৰে মাতি ॥

৪১

অ' বাই শিপিনী
নগৰত তৰিলি তাঁত ।
পাঁজি সেৰা সেৰে মিহিকৈ কাটিলি
চলালি খৰকৈ হাত,
নিশাতে সিজালি নিশাতে লেটালি
থাউনি নায়ে তোৰ গাত ।
জেতুকা পাতেৰে সূতাকে বোলালি
পাৰীতে লগালি আক,
পুৰাতে কাঢ়িলি ছেলেঙে ছকাঠি
পলকত ভৰালি ৰাচ ।
থিতাতে তুলিলি বও চাৰি বাটি
শালতো বান্ধিলি তাঁত,
পাটতে বহিয়ে মহুৰা ফুৰালি
এৰিলি সাজৰে ভাত ।

মাকোটি মাৰিয়ে ফুলকে বাছিলি
চানেকীত নিদিলি হাত,
গধূলি বেলিকা উঠি মূৰে তুলি
ভোলোঠাত লেখিলি পাক ॥

৪২

অ' পখিলি

কিহৰ লাহত ফুলৰ মাজত
তই নাচিলি,
অ' পখিলি ! কিয় নাচিলি ?
তগৰ ফুলক কলি কি কথা
যূতি-লতিকাক দিলিকি ব্যথা,
সেউতী পাহীত পৰিয়ে আকউ—
কিয় আহিলি ?
অ' পখিলি ! কিয় নাচিলি ?
আধা ফুলা সউ গোলাপতে
চুমা যাচি থই তিলেকতে
দেও দি পোনেই জাঁই লাহতীৰ
বুকুত সোমালি
অ' পখিলি ! কিয় নাচিলি ?



সাত ৰঙেৰে বোলাই পাখী
ফুলত ভাবেই ৰূপহ বাকি
আজলীইঁতক ৰূপত বলিয়া
তয়ে কৰিলি ?
অ' পখিলি ! কিয় নাচিলি ?

৪৩

হেৰ বাটকৰা
চায়ে যা ৰূপালী বাট ॥
ধেনুৰে ভিৰীয়া কৰে দুৰণীয়া
উৰে বাজ হাঁহে জাক,
বলিছে সন্ধিয়া জুৰকৈ মলয়া
কৰি যা দেহাটি শাঁত ॥
ৰূপে বিনন্দীয়া মনে উৰণীয়া
মাতে কি অমাতৰ মাত,
ধীৰেকৈ ডেউকা মাৰি গুৰি বঠা
বিচাৰে মেঘৰে ঘাট ॥
ৰূপৰে ভিখাৰী চকুৱে বিচাৰি
ফুৰে অই মেঘৰে গাত,
সোণালী বিজুলী হঠাতে উজ্বলি
চকুতে মাৰিলে ছাঁট ॥

৪৪

কপিলীৰ বুকুতে নাচিলে লহৰী
কলঙত মাৰিলে ছাঁট,
মিকিৰৰ ছাঙৰে নামে বৰপানী
কিলিঙে মিলালে হাত। (অ' নাচনী)
ওপৰে উৰিলে বাজ হাঁহ এজুৰি
দিয়ে গল এযাৰি মাত.
খাগৰি জানতে গাভৰু জুবয়ে
পাভিৰ বিহুৰে হাট।
পৰ্ব্বতৰ জীয়াৰী নামে জাকে পাতি
থলৰে ভেঁটি লই বাট,
মেঘৰ চাপৰতে উতলা হলে অই
মাৰে নাচোনৰে পাক।
লুভীয়া লুইতে কামলই চাপিলে
নমণি পাৰৰে ঘাট,
নাচনীৰ বিহাতে ধৰে থাপে মাৰি
নামানে কাৰোৰে হাক।



৪৫

আকাশৰ বুকুতে মেঘে গৰজিলে
কপিলীত পৰিলে ছাঁ,
ধাননিৰ মাজতে বাউসী দাৱনী
জুৰুলি জুপুৰি গা। ( অ' বাৰিষা )
গছতে বিনালে বনৰে চৰায়ে
ভঁৰালো ভাঙিলে চা,
কোলাৰে কেঁচুৱা নিয়ে উটুৱায়ে
বুকুতে দিয়ে ঐ ঘা।
বনৰে হৰিণী আজলী পোৱালী
পালেৰে উটিলে চা,
জোনায়ে দুখতে মেঘতে লুকালে
কাকৰো শুশুনো কা।
কপিলী পাৰতে ৰূপালী সাগৰে
উলাহত নচালে গা,
হিয়া ভাঙি ভাঙি উঠে ঐ বিননি
ব'লে বিষাদৰে বা॥

৪৬

**পৰ্ব্বততে** ফুলিলে সোণাৰুৰে থোপা মণি
সানি ল'লে হেঙুলীয়া বোল,
বাৰীতে ঐ ফুলিলে সোণৰ চঁপা-কলি
গোন্ধতেনো আমোলে মোল ॥

ঢাপতেনো ফুলিলে কাঁইটীয়া কেতেকী
পদুলিতে নাহৰৰে ফুল,
তগৰেনো মালতী নাচে হালি জালি
উলাহতে অলি বিয়াকুল ॥

আমনিৰ মাজতে কুলিটিয়ে মাতিলে
চেনেহৰে গাঁথি গ'লে ডোল,
জোনবায়ে চৰিলে লিহিৰি অ'ই বনতে
ভেঁটে কলি যাচিলেহি ফুল ।

বননিতে চৰিলে শৰেকই ভেলেঙী
আকাশৰে কলিয়াকৈ বোল,
ক'লে পানী পিয়া উৰি মাতি গলে
থ'য়ে ভাঙি বতৰৰে ভুল ॥



৪৭

**কোনে** ক'ই গল কাণে কাণে
মোৰ টোপনিত মনে মনে,
মোৰেই ভাবত দূৰত মগন,
নেদেখা দেশৰ শুফুলা কদম—
— আপোন অজানে ॥

সেই দেশৰেই বনে বনে
ফুল ফুলে অই ঘনে ঘনে,
হাত মেলিলেই সকলো সপোন,
তেওতো সিয়েই সবাৰো আপোন,
— ক'ৰ কি মায়া জানে ।

সেই ফুলৰেই গানে গানে
হৃদয় নাচে তানে তানে,
তাল ভাঙিলেই সকলো বাঁধোন
এৰি দি পলায়, তেওতো আপোন
— আমাৰ কাৰণে ॥

## ৪৮

কোনে মোক কৰে বিয়াকুল
ফুলে কি হিয়াৰ ফুল,
ভাঙি সাধনাৰ ভুল
ফুলে কি হিয়াৰ ফুল ॥

আকাশতে তৰাৰ থূল
তিৰবিৰ বিয়াকুল
মোৰ বেদনাৰে হুল,
ফুলে কি হিয়াৰ ফুল ॥

প্ৰাণৰে হেৰায় কূল
বলিয়া কি বিয়াকুল
শিৰৰ ভাঙি দি ভুল,
ফুলে কি হিয়াৰ ফুল ॥

ক'ত ফুলে উমা ফুল
ক'ত হেৰায় তিনি শূল
জঁটাৰ ভাঙিলে ভুল—
ফুলে কি হিয়াৰ ফুল ॥



## ৪৯

প্ৰথম ছোৱালী— “উৰে ফুলৰ ৰেণু
কোনে বজায় বেণু
অ' সখি শেৱালি,
কদম তলত আজি ?”

দ্বিতীয়— “ধেনু চৰায় যি ।”

প্ৰথম— “নাচে কোনে হাঁহি মাতি,
উৰায় যমুনা বালি
অ' সখি শেৱালি,
শাৰদী ৰাতি আজি ?”

দ্বিতীয়— “পৰাণ বান্ধৱ যি ।”

প্ৰথম— “কৰে লৱণু চুৰ
ঠগায় নন্দৰ পুৰ,
অ' সখি শেৱালি
পলায় কোনে আজি ?”

দ্বিতীয়— “কানাই কলিয়া যি ।”

দুয়ো— "বননিতে চৰে ধেনু
কদমতে বাজে বেণু
অ' সখি নিশাৰি,
ধৰিম আহা আজি,
আকুল কৰে যি ।"

## ৫০

গাভৰু শেৱালি সাজোঁতে কাচোঁতে
জোনেনো মাৰিলে উঁকি,
ৰূপালী হাতেৰে আঁকোলি ধৰিলে
কথাটি কলেহি চুপি ॥
"সাদৰী সখী মোৰ চিৰ জনমৰ
তুমি যে মোৰেই সখী,"
শেৱালিয়ে হাসি 'নহয়' বুলিলে
"তুমি যে দূৰৰ অতি ।"
ফুলৰে মাজতে জোনটি সোমালে
আকুল প্ৰাণেৰে নাচি,
"ডাৱৰ দুৱৰী আঁতৰাই সখি
চুমাটি দিছোঁহি যাচি ॥"



শেৱালিৰ তনু ভাগৰি পৰিলে
সমীৰে দিলেহি বিচি,
উষাই দূৰতে মিচিকি হাঁহিলে
দিলেহি কিৰণ সিঁচি ॥

## ৫১

উৰি যায় পুৱাতেই ৰাজহাঁহ জাক,
আকুল সুৰেৰে বাৰু মাতি যায় কাক ?
সুৰৰ অমিয়া জৰে
জগত সজাগ কৰে
উৰে যেন গছ-লতা দুবৰিৰো পাত,
উকৰাই হিয়া মোৰ কৰি দি সজাগ ।

সপোন জড়তা ভাঙি
দিঠকৰ বায়ু আনি
যাচি যায় জীৱনৰ নোপোৱা সোহাগ,
কই যায় সেই সুৰে "মাথোঁ বাঢ়া আগ ।"

গছে ডালে পাতে পাতে উঠে নানা ডাক
পুৱঁতী পোহৰ সানি যত পখী জাক,
জীৱনৰ পাখি মেলি
দুখৰ নিয়ৰ ফালি
উৰি যায় অসীমৰ বিচাৰি সোহাগ
মাতি যায় মোকো আৰু "আহাঁ বাঢ়ি আগ।"

৫২

পুৱঁতী সমীৰে তোলে ঢউ সৰসীত।
চুই যায় পাৰ
মোৰো ই হিয়াৰ,
থই যায় আলোড়ণ এটি অজানিত।
প্ৰথম পখীয়ে উঠি
সুনীল বিয়াই উৰি
কই যায় কিনো তাৰে মাতে সুললিত
হিয়াত জোৱাৰ তোলে অনপৰিচিত।
বনত নিয়ৰ সৰে
বেলিৰ জেউতি পৰে
অনুপম কিনো তাৰ শোভা ধৰণীত,
ৰূপত বলিয়া কবি কৰে হৰষিত॥



ফুলৰ পাপৰি বোৰে
অকপট হিয়া ভৰে
কৰি যায় নিজকেই দান ফুলনিত
অপাৰ মাধুৰী ভাঁহি হৰে মোৰ চিত॥

৫৩

বুকু ভাঙি ভাঙি গাওঁ গান
নয়নত জৰে অশ্ৰু নিগূঢ়
কণ্ঠ নিৰোধ তান,
এয়ে মোৰ শেষ গান॥

অতীতৰ যত সপোন মালিকা
জীৱনৰ মোৰ ৰূপালী শলিতা
দিছে আজি কিনো হান,
তিক্ত কৰিছে গান॥

আজনম শুনা মউ সনা মাত
সুখে দুখে মোৰ স্নেহৰ বাৰিধি
আজি ক'ত অৱসান
তুলি দি শোকৰে বান॥

ধমনীত মোৰ বয় যি শোনিত
যতনা কাহিনী তাতে বিজড়িত
ব্যথাহত কাৰ প্ৰাণ,
তোলে সকৰুণ তান ॥

৫৪

মম মন্দিৰে আজি আৰতি উঠে বাজি
প্ৰভুবওঁন্দনা গীতি গা আকুলে ডাকি ।

তব পদ ৰেণু তলে
ৰওঁ চিৰ নত শিৰে
ভজোঁ কায়মনে জাগি ।

৫৫

আজি শৰতৰ ফুলৰ মুকলি কৰি
চুপি চুপি কোন
আহে কাষলই;
হিয়াত তোলাই বোল হাছনা হানাৰ
আমোল মোলাই নিয়ে
কোন দেশলই ।



ডুৰু ডুৰু বুকু
চঞ্চল উৰু
উৰি যায় মন গগণ বিয়াপি
নেজানে কিহৰ
আকুল বাৰতা লই ।

তৰাৰ বুকুত উঠি
মন মোৰ উঠে নাচি,
বুকুতে সামৰি লই শোভা ধৰণীৰ
উলাহতে যেন
ক'তে মৰোঁ গই ।

৫৬

শাৰদী উষাৰ বোলে
ৰাজিলে হিয়া
পাহ পাহঁ কৰি সৰে যে শেৱালি
পৰেহি মনত তাহানি এদিন
হিয়াত বিলোৱা হিয়া ।

কতনা শৰত বাগৰি যায়
অতীতৰ সেই কাহিনী গাই
তথাপি নতুন শাৰদী মালিনী
আহি যে বিলায় হিয়া ।
জোনাক যামিনী সুষমা বিলাই
পাহৰা দিনক যায় সোঁৱৰাই
অনাগত দিন কৰেহি মধুৰ
হিয়াত নধৰে হিয়া ।

৫৭

সপোন সুৰভি দেশতে
তুমি আৰু মই দুজনে
ৰচিম কাৰেঙ্ সোণালী
হিয়াৰে হিয়া গাঁথি দি ।
দুটি পখী দুটি তৰা ফুল
নাই দুজনৰে সমতুল
মিলনৰ এই মধু ৰাতি
লভিছোঁ মাধুৰী যি ।
হিয়াৰে হিয়া গাঁথি দি ।



তুমি ৰ'বা মোৰ বুকুতে
সুৰভি যেন কুসুমতে
সুৰ যেন বীণাৰ তাঁৰে
তুমি পদুমত মই অলিটি ।
দূৰ কৰা যত তৃষা মোৰ
কৰি অমিয়াৰে ভৰপূৰ
মিলনৰ এই মধু ৰাতি—
হিয়াৰে হিয়া গাঁথি দি । *

৫৮

তুমিতো নাজানা হাঁয়
মোৰ যে হিয়া কত ফাগুনৰে ছাঁই
তুমিতো নাজানা হাঁয় ।
তুমিতো নাজানা
যতনা গোলাপ কাঁইটেৰে ঢকা
পখিলাই পাহৰি নাযায়,
তুমিতো নাজানা হাঁয় ।
ক'ম বুলি থোৱা চিৰজনমৰ
আকুল বাতৰি দৰদী প্ৰাণৰ
কবলই তুমি দিয়া নাই ।

---

* ৰেকৰ্ড হৈছে ।

তুমিতো নাজানা
মোৰ যে হিয়া কত শৰতৰে ঠাই
তুমি দিছা তাত অগনি জ্বলাই
আপোন অজানে পাই ।*

৫৯

জনতা, জনতা, জয় জনতা
তোমাৰ বুকুৰ বক্ত পৰশে
জাগ্রত যত দেৱতা
জয় জনতা ।
তোমাৰ কাতৰ ক্রন্দন-ধ্বনি
উঠি অহৰহ চাৰিদিশ জিনি
ঘোষিছে বিপুল বজ্র-নিনাদে
তোমাৰ দাৰুণ দীনতা ।
জগতৰ যত ৰঙীণ ফুলনি
তোমাৰ বুকুৰে বেদনা গ্লান
পূজাৰ আহুতি কৰিছে বিফল
ক্ষোভিত, বেদীৰো দেৱতা ।

* ৰেকৰ্ড হৈছে ।



শিলা-প্রতিমাই মুক্তি-আশাৰে
দলিত হিয়াৰ গৰিমা বিচাৰে
জাগ্রত আজি বেদীয়ে বেদীয়ে
ঘৃণিত পীড়িত মানৱতা,—
জয় জনতা ।

৬০

অ' অসমৰ নবীন সেনানী !
আগ বাঢ়িবৰ হ'ল,
স্বাধীন ভূমিত স্বাধীন মানুহ
আজি গঢ়িবৰ হ'ল ।

কামান কৃপাণ দে দলিয়াই
আজি তাৰ আৰু নাই ক'তো ঠাই
কোৰ-কটাৰী নাঙল জুঁৰলী
হাতে হাতে লই
কামে কামে লাগি বল ।

হিংসা অসূয়া কটাকটি ভাই
লুইত বুকুত দে উটুৱাই
ধৰমৰ দন, মাটিৰ কাজিয়া
এৰি দি হাতত হাত মিলাই
সাজি ল প্ৰীতিৰ দ'ল॥

হিন্দু মুছলিম ভৈয়াম-পাহাৰী
মুনিহ তিৰোতা ভেদাভেদ এৰি
একে উশাহত একেটি বান্ধত
একে কদমত একেটি সুৰত
ধৰণী কঁপাই ব'ল॥

৬১

তোমাৰ দুচকু অথাই সাগৰ
কোনে জানে আজি কিয়
সপোনৰ ঢৌ তিৰবিৰ জ্বলে
মাণিক বাগৰে প্ৰিয়।
স্ফটিকৰ দৰে স্বচ্ছল নীৰ—
অতল গভীৰ কিয়
হৃদয় বিদাৰি মুকুতা ওলায়
তোমাৰ চকুত প্ৰিয়।



জোৱাৰ বাগৰি সজল নয়নে
বুৰায় অতীত কিয়—
চঞ্চল প্ৰাণে বুজনি নেমানে
সাগৰ সামৰা প্ৰিয়।

৬২

মেঘে মহাড়ম্বৰে ঢালে বৃষ্টি
পুৰণি ধ্বংসি গঢ়িব নতুন সৃষ্টি।

আকাশে গৰজে তুমুল নিনাদে
ত্ৰাহি ত্ৰাহি ধৰা পৰি ক্ষমা মাগে
তথাপিতো নাই তাৰ তৃপ্তি
হুৰ্‌ হুৰ্‌ মাথোঁ ঢালে বৃষ্টি।

গছে পাতে ঝড়ে পানী ধাৰাসাৰ
পথ প্ৰান্তৰ হয় একাকাৰ
হুৰ হুৰ মাথোঁ ঢালে বৃষ্টি
আজি কৰিব নতুন সৃষ্টি।

ফল ফুল যত ডাল ভাঙি পৰে
পশুপক্ষী সবে কঁপে থৰ থৰে
সন্ত্ৰাসে ভৰা নৰ-দৃষ্টি—
হুৰ হুৰ মাথোঁ ঢালে বৃষ্টি।

৬৩

জীৱন কাণ্ডাৰী মোৰ
নাওখনি নিয়া কেনি বাই
পাৰাপাৰ ক'তো দেখা নাই ॥
চৌৱে চৌৱে জ্বালি অনলৰ শিখা
দূৰণিত সউ বেলি মাৰ যায়
নাও মোৰ কোন দিশে যায় আগুৱাই ।
সন্ধিয়াই তৰে আন্ধাৰ আঁচল
নিমাত হৃদয় অলৰ অচল
পাৰাপাৰ আজি কেনিবা হেৰায়
নাও মোৰ কোন দিশে যায় আগুৱাই ।
চাৰে চাৰে কঁপে হিয়া থৰথৰি
শীতল সমীৰে অঙ্গ আৱৰি
তোমাৰে পৰশ বিচাৰি যায়
নাও মোৰ কোন দিশে যায় আগুৱাই ।

৬৪

থউকি বাথউ লুইতৰে ঢউ
ভদীয়া বানতে বুৰিলে তৰী ।
মৰাল মৰালী উৰে জাকে পাতি
ছায়া তলে তলে যায় লৰি লৰি ॥



দূৰতে বেলিটি লুকাই পৰিলে
ৰঙাকই ঢউতে নাচিলে পৰী
সন্ধিয়া আহিল চুলিতাৰি মেলি
পেলালে জগত এন্ধাৰ কৰি ।

৬৫

জৰ জৰ জৰ
টোপাল নিয়ৰৰ
হিয়াৰ মাজত
বয় কি সুঁতি
কাৰ দৰদৰ ।
কাৰ কিনো পাই উঠে কি লহৰ ।
আকাশতে ডাৱৰৰ
দেখি কি লহৰ
গা নো উঠে
মোৰ ময়ূৰৰ
ছালি ধৰি নাচে সৰগৰ ।
কাৰ কিনো পাই উঠে কি লহৰ ।

বলিয়া কৰিলি চিত অ' লাহৰী
উতলা কৰিলি মোক ।

জাকৰে মাজতে জিলিকি আছিলি
যেন সেন্দুৰৰ ফোঁট,
দুৰ্ণিৰ ঘাটতে বুৰালি গাগৰি
নচিনো নাজানো তোক ।
হাতৰে বাজিলে তোৰে গামেখাৰু
চকুটি পৰিলে ভোত,
মহৰে পিঠিতে ঘূৰোঁতে থিতাতে
নাকীতে লাগিলে জোঁত ।
দেখিয়ে মাৰিলি মিছিকি হাঁহিটি
কঁপনি তুলিলে মোত,
কাষৰে গাগৰি থৈয়েনো বুজালি
ঠাৰেৰে কি কথা মোক ।